**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 03-10-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***
::::::::::::::::::::::::::::::::::::::

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনসাধাৰণৰ হকে আগবঢ়োৱা সেৱাই ২৫ বছৰত ভৰি দিছে।

২।	ভূপালত আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে গোপালক আৰু নতুন ফৌজদাৰী আইন সংক্ৰান্তীয় কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰে।

৩।	ভাৰতে বৰ্তমান মুক্ত বাণিজ্য সম্পৰ্কৰ নেটৱৰ্ক নিৰ্মাণ কৰাৰ ওপৰত গুৰুত্ব দিছে বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেলে মত প্ৰকাশ কৰিছে।

৪।	ৰাজ্যসভাৰ উপ সভাপতি হৰিবংশৰ নেতৃত্বত ভাৰতীয় সংসদীয় প্ৰতিনিধিৰ এটা দল আন্তঃসংসদীয় সংঘৰ ১৫৩ সংখ্যক সভাত অংশগ্ৰহণৰ বাবে তাঞ্জানিয়ালৈ ৰাওনা হৈছে। *আৰু*

৫।	এছিয়ান গেমছত বৰ্তমানলৈকে ২১ টা সোণ, ২৭টা ৰূপ আৰু ৩৭ টা ব্ৰঞ্জসহ মুঠ ৮৫ টা পদেকেৰে ভাৰত তালিকাৰ চতুৰ্থ স্থানলৈ উন্নীত হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনসাধাৰণৰ হকে আগবঢ়োৱা সেৱাই ২৫ বছৰত ভৰি দিছে। শ্ৰীমোদীৰ নেতৃত্বৰ বৰ্তমানৰ চৰকাৰখনে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যৰে কাম কৰি আহিছে। চৰকাৰখনৰ কাৰ্যকালত বিকাশ আৰু সামাজিক সৰলীকৰণৰ মন্ত্ৰৰে নাগৰিকসকলক জীৱন-যাপনৰ প্ৰণালীৰ বহুখিনি পৰিৱৰ্তন সাধন হোৱা দেখা পোৱা গৈছে। স্বাস্থ্যৰ নিৰাপত্তাৰ খণ্ডত আৰম্ভ কৰা আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ জৰিয়তে চৰকাৰে ১০০ শতাংশ চৰকাৰী সাহায্য হিতাধিকাৰীসকলক প্ৰদান কৰিছে। এই আঁচনিৰ জৰিয়তে যোগ্য পৰিয়ালসমূহে প্ৰতিবছৰে ৫ লাখ টকা পৰ্যন্ত স্বাস্থ্য বীমাৰ সুবিধা লাভ কৰে। এই আঁচনিয়ে ব্যক্তিগত খণ্ডৰ লগতে বহুতো ৰাজহুৱা খণ্ডৰ চিকিৎসালয়ত নগদবিহীন চিকিৎসাৰ লগতে দ্বিতীয় আৰু তৃতীয় স্তৰৰ চিকিৎসা সেৱাৰ সুবিধা প্ৰদান কৰে। ইয়াৰ জৰিয়তে চিকিৎসালয়ত ভৰ্তি হোৱাৰ পূৰ্বৰ ৩ দিনৰ খৰছ আৰু চিকিৎসালয়ৰ পৰা ঘৰলৈ ওভতাৰ পাছৰ ১৫ দিনৰ খৰছো এই আঁচনিয়ে বহন কৰে। ইয়াৰ লগতে ৭০ বছৰ বা তাৰ ওপৰৰ বয়সৰ দেশৰ জ্যেষ্ঠ নাগৰিকসকলে আয়ুষ্মান ভাৰত পি এম জে এ ৱাইৰ অন্তৰ্গত সুবিধাসমূহ ৫ লাখ টকালৈকে লাভ কৰিব পাৰে।

০০০০

ভূপালত আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে গোপালক আৰু নতুন ফৌজদাৰী আইন সংক্ৰান্তীয় কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰে। ভূপালৰ ভেল দশেৰা খেলপথাৰত ৰাজ্যিক পৰ্যায়ৰ গোপালক সন্মিলনত ভাষণ দিয়ে। ৰাজ্যখনৰ এঘাৰখন জিলাৰ ৩৫ হাজাৰ গোপালকে অংশগ্ৰহণ কৰা এই সন্মিলনত মন্ত্ৰীগৰাকীয়ে গোশালাসমূহৰ বাবে ১০১ কোটি টকা প্ৰদান কৰিব বুলি ঘোষণা কৰে। শ্ৰীশ্বাহে লগতে  ভাৰ্চুৱেল ব্যৱস্থাৰে ২৫৫ কোটি টকা ব্যয় সাপেক্ষে উজ্জয়িনীত নিৰ্মাণ কৰিবলগীয়া এটা দুগ্ধ প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। তেওঁ কয়, যে ভূপালত ১২ কোটি টকা ব্যয়েৰে এটা কেন্দ্ৰীয় পৰীক্ষাগাৰ স্থাপন কৰা হৈছে আৰু শিৱপুৰীত এটা ক্ষুদ্ৰ দুগ্ধ প্ৰকল্প স্থাপন কৰা হ'ব। গৰু আৰু মহৰ প্ৰজাতিৰ বিকাশৰ বাবে এই প্ৰকল্পই কাম কৰিব বুলি তেওঁ উল্লেখ কৰে। গোপালক সন্মিলনৰ পূৰ্বে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে   ভেল দশেৰা খেলপথাৰত মধ্য প্ৰদেশ আৰক্ষীয়ে নতুন ফৌজদাৰী আইন সন্দৰ্ভত আয়োজন কৰা এখন প্ৰদৰ্শনী উদ্বোধন কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰীশ্বাহে কয় যে ব্ৰিটিছে প্ৰনয়ন কৰা আইনসমূহ তেওঁলোকৰ চৰকাৰ আৰু প্ৰশাসনক সুৰক্ষিত কৰাৰ স্বাৰ্থত ব্যৱহাৰ কৰিছিল। নতুন আইনসমূহ নাগৰিকৰ জীৱন, সম্পত্তি আৰু মৰ্যদা সুৰক্ষিত কৰাৰ লক্ষ্যৰে প্ৰনয়ন কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে।

০০০০

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেলে কয় যে ভাৰতে বৰ্তমান মুক্ত বাণিজ্য সম্পৰ্কৰ নেটৱৰ্ক নিৰ্মাণ কৰাৰ ওপৰত গুৰুত্ব দিছে আৰু ইয়াৰ জৰিয়তে বিশ্ব অৰ্থনীতিৰ ৭৫ ৰ পৰা ৮০ শতাংশ সামৰি লব পৰা যাব। চিকাগোত অনুষ্ঠিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভাৰতীয় সমুদায়ৰ সংঘই আয়োজন কৰা এটা অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয় যে শেহতীয়া বৰ্ষসমূহত ভাৰতে বাণিজ্যৰ ক্ষেত্ৰত আলোচনাৰ জৰিয়তে বহুখিনি আগবাঢ়ি গৈছে আৰু অতি সোনকালে এই দিশত বহুকেইটা নতুন পদক্ষেপ গ্ৰহণ কৰাৰ থল আছে। তেওঁ লগতে কয় যে ক্ৰমবৰ্ধমান এই সুসম্পৰ্কই ভাৰতৰ পৰা আন্তৰ্জাতিক ক্ষেত্ৰত কাম কৰি থকা বহুজাতিক কোম্পানীসমূহে বজাৰ দখল কৰিবলৈ সমৰ্থ হ'ব। শ্ৰীগোৱেলে কয় যে ২০১৪ চনৰ পূৰ্বে ভাৰতৰ মুক্ত বাণিজ্য চুক্তিসমূহে আন্তৰ্জাতিক ক্ষেত্ৰৰ মুঠ ঘৰুৱা উৎপাদনৰ ১০ ট্ৰিলিয়ন ডলাৰৰ অংশ সামৰি লৈছিল। যোৱা ৪ ৰ পৰা ৫ বছৰৰ ভিতৰত এই চুক্তিখনৰ জৰিয়তে ৩১ খন বিকশিত আৰু বিকাশশীল দেশক সামৰি এই পৰিমাণ ৬০ ট্ৰিলিয়ন ডলাৰলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

বাইট-গোৱেল

শ্ৰীগোৱেলে কয় যে এনেধৰণৰ সিদ্ধান্তৰ জৰিয়তে ভাৰতে আন্তৰ্জাতিক বজাৰত আৰু ভালদৰে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হ'ব। মন্ত্ৰীগৰাকীয়ে ভাৰতীয় মূলৰ আমেৰিকাৰ উদ্যমীসকলক ভাৰতৰ এই পদক্ষেপত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ২০২৬-২৭ পৰ্যটন বৰ্ষৰ বাবে আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। অসমৰ বন আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কাজিৰঙাৰ কঁহৰা বনাঞ্চলৰ মিহিমুখত আয়োজিত এটা অনুষ্ঠানত ৰাষ্ট্ৰীয় উদ্যানখন মুকলি কৰি কয় যে বন বিভাগ আৰু পৰ্যটন বিভাগে বৰ্ধিত পৰ্যটকৰ প্ৰতি লক্ষ্য ৰাখি আন্তঃগাঁথনিৰ উন্নয়ন, বৰ্তমানৰ সুবিধাসমূহৰ আধুনিকীকৰণ আৰু নতুন আকৰ্ষণ সংযোজনৰ দিশত যৌথভাৱে কাম কৰি যাব। প্ৰাৰম্ভিক বুকিং আৰু পৰ্যটকৰ সঁহাৰি লৈ চাই এইবাৰ ৰাষ্ট্ৰীয় উদ্যানখনলৈ অভিলেখ সংখ্যক পৰ্যটকৰ আগমন ঘটিব বুলি তেওঁ আশা প্ৰকাশ কৰে। পৰ্যটনৰ বিকাশ যাতে স্থানীয় লোকৰ বাবে অধিক অৰ্থনৈতিক সুযোগলৈ ৰূপান্তৰিত হয়, সেই বিষয়ে গুৰুত্ব আৰোপ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে অধিক সংখ্যক স্থানীয় লোকে যাতে পৰ্যটনকেন্দ্ৰিক কাম-কাজৰ জৰিয়তে স্বাৱলম্বী হ'ব পাৰে আৰু জীৱন ধাৰণৰ মান উন্নত কৰিব পাৰে তাৰ বাবে প্ৰয়াস চলাই আছে। তেওঁ লগতে বন আৰু পৰ্যটন বিভাগে কাজিৰঙাৰ সমীপৱৰ্তী অন্যান্য আকৰ্ষণীয় স্থানসমূহক সামৰি নতুন পৰ্যটন চাৰ্কিট গঢ়ি তোলাৰ বাবে কাম কৰি আছে বুলি প্ৰকাশ কৰে। বন্যপ্ৰাণী সংৰক্ষণে কাজিৰঙাৰ পৰ্যটনৰ মূল ভেটি বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে বিশ্ববিখ্যাত এটা খড়গযুক্ত গড়ে দেশ বিদেশৰ পৰ্যটকৰ মূল আকৰ্ষণ। ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ ব্যৱস্থাৰ বাবে গঁড় হত্যাৰ ঘটনা প্ৰায় নোহোৱা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে এই সংৰক্ষণ প্ৰচেষ্টাই কাজিৰঙাক বিশ্ব পৰ্যটনৰ মানচিত্ৰত অনন্য মাত্ৰা প্ৰদান কৰিছে।

আজিৰ উদ্বোধনী অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী অতুল বৰা আৰু সাংসদ কামাখ্যা প্ৰসাদ তাছা উপস্থিত থাকে। উদ্যানখনত আজিৰে পৰা জীপ ছাফাৰী সেৱা আৰম্ভ হৈছে। যাৱতীয় প্ৰস্তুতিৰ সম্পূৰ্ণ হোৱাৰ পিছত অহা ১০-২০ দিনৰ ভিতৰত হাতী ছাফাৰী সেৱাও পুনৰ আৰম্ভ কৰা হ'ব বুলি কোৱা হৈছে।

০০০০

ৰাজ্যসভাৰ উপ সভাপতি হৰিবংশৰ নেতৃত্বত এটা ভাৰতীয় সংসদীয় প্ৰতিনিধিৰ দল অহা ৫ ৰ পৰা ৯ অক্টোবৰলৈ হ'বলগীয়া আন্তঃসংসদীয় সংঘ আই পি ইউৰ ১৫৩ সংখ্যক সভা আৰু আনুষংগিক বৈঠকত অংশগ্ৰহণৰ বাবে তাঞ্জানিয়ালৈ ৰাওনা হৈছে। প্ৰতিনিধি দলটোৱে সাম্প্ৰতিক বিশ্বৰ প্ৰাসংগিক বিষয়সমূহ সন্দৰ্ভত বিস্তৃত বৈঠক, আলোচনা আৰু কৰ্মশালাত অংশগ্ৰহণ কৰি এই বিষয়সমূহৰ সম্পৰ্কত ভাৰতৰ দৃষ্টিভংগী প্ৰকাশ কৰিব। শ্ৰী হৰিবংশে প্ৰশাসনীয় পৰিষদ, সাধাৰণ বিতৰ্ক, জৰুৰীকালীন বিষয় সম্পৰ্কীয় বিতৰ্ক আৰু আই পি ইউৰ অধ্যক্ষ পদৰ প্ৰাৰ্থীসকলৰ সৈতে মত বিনিময় কাৰ্যসূচীত অংশগ্ৰহণ কৰিব । ভাৰতীয় প্ৰতিনিধি দলৰ সদস্যসকলে গণতন্ত্ৰ আৰু মানৱ অধিকাৰ, শান্তি আৰু আন্তঃৰাষ্ট্ৰীয় নিৰাপত্তা, বহনক্ষম উন্নয়ন, মহিলাৰ অংশগ্ৰহণ, বিজ্ঞান আৰু প্ৰযুক্তি সম্পৰ্কীয় আলোচনাত অংশগ্ৰহণ কৰিব।

ইয়াৰ উপৰি সন্ত্ৰাসবাদ প্ৰতিৰোধ, মানসিক স্বাস্থ্য,অত্যাৱশ্যকীয় খনিজ পদাৰ্থ, কৃত্ৰিম বুদ্ধিমত্তা আৰু

কৰ্মৰ ভৱিষ্যত, সামুদ্ৰিক সুৰক্ষা, জলবায়ু পৰিৱৰ্তন তথা পাহাৰ আৰু সাগৰীয় পৰিৱেশ তন্ত্ৰৰ সুৰক্ষা আদি বিষয়সমূহৰ ওপৰত বিশদভাৱে আলোচনা কৰা হ'ব।

০০০০

হৰমুজ প্ৰণালীত কুৱেইটৰ পতাকা যুক্ত টেংকাৰ এম টি কাজিমা ৩ ত ক্ষেপনাস্ত্ৰৰ দ্বাৰা হোৱা এটা আক্ৰমণৰ সময়ত আৱদ্ধ হৈ থকা ৫ জন ভাৰতীয়ক উদ্ধাৰ কৰিবৰ বাবে ভাৰতীয় দূতাবাসে ওমানৰ কৰ্তৃপক্ষৰ ফালৰ পৰা ইতিমধ্যে যোগাযোগ কৰা হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰা মতে, আৱদ্ধ হৈ থকা পাচোজন ভাৰতীয়ক নিৰাপদে উদ্ধাৰ কৰা হয়। এই ক্ষেত্ৰত ওমান কৰ্তৃপক্ষই আগবঢ়োৱা সহযোগিতাৰ বাবে ভাৰতীয় দূতাবাসে তেওঁলোককলৈ ধন্যবাদ জ্ঞাপন কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জানিবলৈ দিয়া মতে, বিদেশত কৰ্মৰত ভাৰতীয় নাবিকসকলৰ সুৰক্ষা, নিৰাপত্তা আৰু কল্যাণৰ হ'কে মন্ত্ৰালয়ে সদায় বদ্ধপৰিকৰ।

০০০০

জাপানৰ আইচি নাগ'য়াত অনুষ্ঠিত এছিয়ান গেমছত আজি ভাৰতে ৫ টা সোণ, দুটা ৰূপ আৰু দুটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে। পুৰুষৰ হকীত ভাৰতে মালয়েছিয়াক ৫-১ গলৰ ব্যৱধানত পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰে। এই জয়েৰে ভাৰতীয় দলটোৱে ২০২৮ ত হবলগীয়া লছ এঞ্জেলেছ অলিম্পিকৰ বাবে পোনে পোনে যোগ্যতা অৰ্জন কৰে।

মল্লযুজৰ পুৰুষৰ ৫৭ কিলোগ্ৰাম ওজন শাখাত অমন চেহৰাৱটে বিশ্ব ছেম্পিয়ন দক্ষিণ কোৰিয়াৰ ছুংচং হানক ১১-১৭ ফলাফলত পৰাস্ত কৰি সোণৰ পদক দখল কৰে। হাংঝৌ এছিয়ান গেমছত ব্ৰঞ্জৰ পদক অৰ্জন কৰা ২৩ বছৰীয়া ভাৰতীয় মল্লযুজাৰু চেহৰাৱটে কালি ৬৫ কিলোগ্ৰাম শিতানত সুজিত কলকলৰ পাছত লাভ কৰা সোণৰ পদকেৰে ভাৰতীয় মল্লযুজাৰুসকলৰ শক্তিশালী প্ৰদৰ্শনৰ ধাৰা অব্যাহত ৰাখে। ইয়াৰ পূৰ্বে পুৰুষৰ ক্ৰিকেটৰ ফাইনেলত ভাৰতে আজি পাকিস্তানক ১৯ ৰানত পৰাস্ত কৰি সোণৰ পদক হস্তগত কৰে। দীপক পুনিয়াই পুৰুষৰ ৯৭ কিলোগ্ৰাম ওজন শাখাৰ মল্লযুজৰ ফ্ৰিষ্টাইলত মংগোলীয়াৰ গানখুয়াগ গানবাতাৰক পৰাস্ত কৰি ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

এছিয়ান গেমছত বৰ্তমানলৈকে ২১ টা সোণ, ২৭টা ৰূপ আৰু ৩৭ টা ব্ৰঞ্জসহ মুঠ ৮৫ টা পদেকেৰে ভাৰত তালিকাৰ চতুৰ্থ স্থানলৈ উন্নীত হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ